‘ময়লা আঁচল’ আৰু ‘পদ্মা নদীৰ মাঝি’

— এটি তুলনামূলক আলোচনা

ফণীশ্বৰনাথ ৰেণুৰ ‘ময়লা আঁচল’ আৰু মানিক বন্দ্যোপাধ্যায়ৰ ‘পদ্মা নদীৰ মাঝি’ দুয়োখনেই কালজয়ী আঞ্চলিক উপন্যাস। ‘ময়লা আঁচল’ হিন্দী আঞ্চলিক উপন্যাসৰ বাটকটীয়া আৰু ‘পদ্মা নদীৰ মাঝি’ বাংলা উপন্যাস সাহিত্যৰ ইতিহাসত এখন স্বাতন্ত্র্য-চিহ্নিত আঞ্চলিক উপন্যাস। দুয়োখন উপন্যাস ভালদৰে পৰ্যালোচনা কৰি চালে কেতবোৰ মৌলিক সাদৃশ্য আৰু কেতবোৰ বৈসাদৃশ্য দেখিবলৈ পোৱা যায়।

সাদৃশ্য ঃ-

(ক) ‘ময়লা আঁচল’ আৰু ‘পদ্মা নদীৰ মাঝি’ দুয়োখন উপন্যাসেই এটা বিশেষ অঞ্চলক পটভূমি হিচাপে লৈ ৰচনা কৰা হৈছে। অৰ্থাৎ দুয়োখনেই গ্ৰাম্য-পটভূমিত ৰচিত উপন্যাস। বিহাৰৰ পূৰ্ণিয়া জিলাৰ একেবাৰে পিছপৰা গাঁও মেৰীগঞ্জৰ পটভূমিত ‘ময়লা আঁচল’ ৰচিত হৈছে আৰু পূৰ্ববঙ্গৰ (বাংলাদেশ) প্ৰাণস্পন্দনস্বৰূপ প্ৰমত্তা পদ্মা নদীৰ দাঁতিত অৱস্থিত একেবাৰে পিছপৰা গাঁও কেতুপুৰৰ পটভূমিত ৰচিত হৈছে ‘পদ্মা নদীৰ মাঝি’।

(খ) দুয়োখন উপন্যাসৰে কাহিনী বাস্তৱ জীৱনৰ লগত সম্পৰ্কযুক্ত। দুয়োখন উপন্যাসতে শ্ৰমজীৱী শ্ৰেণীটোৰ সংঘাতময় জীৱনৰ বাস্তৱ চিত্ৰ অংকিত হৈছে।

(গ) ‘ময়লা আঁচল’ আৰু ‘পদ্মা নদীৰ মাঝি’ দুয়োখন উপন্যাসতে ব্যক্তি-বিশেষক নায়কৰ ৰূপত প্ৰতিষ্ঠা কৰা নাই। ‘ময়লা আঁচল’ৰ কেন্দ্ৰবিন্দু তথা বিষয়বস্তু হৈছে মেৰীগঞ্জ আৰু সেয়েহে কোনো চৰিত্ৰকে মেৰীগঞ্জৰ ওপৰত থাকিবলৈ নিদি মেৰীগঞ্জকেই কেন্দ্ৰীয় চৰিত্ৰ বা নায়ক চৰিত্ৰ হিচাপে ব্যক্তিত্ব প্ৰদান কৰিছে। তেনেদৰে ‘পদ্মা নদীৰ মাঝি’ উপন্যাসখনত পূৰ্ববঙ্গৰ প্ৰমত্তা নদী পদ্মাৰ

পশ্চাদ্‌ভূমিত এক বিশেষ অঞ্চল কেতুপুৰৰ ধীৱৰ সম্প্ৰদায়ৰ মানুহৰ এক অসামান্য উত্তাল জীৱনালেখ্য ৰচিত হৈছে। অৰ্থাৎ ৰহস্যময়ী আৰু ভয়াৱহ পদ্মা নদীৰ প্ৰেক্ষাপটত ৰচিত এইখন উপন্যাসত প্ৰকৃতি-নিৰ্ভৰ মৎস্যজীৱী মানুহৰ সুখ-দুঃখ, আনন্দ-বেদনা আৰু জীৱন-সংগ্ৰামৰ বাস্তৱ ৰূপ জীৱন্ত হৈ উঠিছে। উপন্যাসখনত থকা আনবোৰ চৰিত্ৰৰ দৰে দুৰন্ত পদ্মা নদীও ইয়াত এটি স্বতন্ত্ৰ চৰিত্ৰ-মহিমাৰে উদ্দীপ্ত। জীৱিকাৰ তাগিদাত পদ্মাৰ দাঁতিকাষৰীয়া দৰিদ্ৰ ধীৱৰ-বস্তিৰ লোকসকলে একান্তভাৱে পদ্মাৰ ওপৰতে নিৰ্ভৰশীল হ'ব লগা হয়। পদ্মাই মাজী তথা ধীৱৰসকলৰ জীৱিকাৰ সংস্থান কৰে, তেওঁলোকৰ জীৱনৰ বিপৰ্যয়ৰো কাৰণ হয়। পদ্মা-তীৰস্থ কেতুপুৰৰ শ্ৰমজীৱী অসহায় মানুহবোৰৰ জীৱন-জীৱিকা আৰু প্ৰাত্যহিক সুখ-দুঃখৰ লগত পদ্মাৰ নিবিড় একাত্মতা। মুঠতে, পদ্মাৰ বিশাল অপ্ৰতিৰোধ্য প্ৰভাৱ কাহিনীৰ সৰ্বত্ৰ দিশত সঞ্চাৰিত হৈ চৰিত্ৰবোৰৰ সুখ-দুঃখৰ লগত একাত্মতা স্থাপন কৰি বিশেষ ভূমিকা লোৱা হেতুকে উপন্যাসখনত পদ্মাই নায়ক চৰিত্ৰ হিচাপে পৰিচিতি লাভ কৰিছে।

(ঘ) 'ময়লা আঁচল' আৰু 'পদ্মা নদীৰ মাঝি' দুয়োখন উপন্যাসতে বাস্তৱতাৰ বৈজ্ঞানিক পৰিৱেশত গুৰুত্ব দিছে আৰু সেয়েহে ভাষাক যথাসম্ভৱ আৱেগমুক্ত কৰাৰ চেষ্টা কৰিছে। দুয়োখন উপন্যাসৰ ভাষা গতিতাড়িত নহ'লেও সহজ আৰু স্বচ্ছন্দ। 'ময়লা আঁচল'ত ফণীশ্বৰনাথ ৰেণুৱে পূৰ্ণিয়া জিলাৰ, বিশেষকৈ মেৰীগঞ্জৰ অশিক্ষিত জনগণৰ মুখৰ স্বাভাৱিক ভাষাক হুবহুৰূপে তুলি দিছে। তদ্ৰূপ মানিক বন্দ্যোপাধ্যায়েও 'পদ্মা নদীৰ মাঝি'ত কোনো বিশেষ কবিত্বমণ্ডিত ভাষা ব্যৱহাৰ নকৰাকৈয়ে পূৰ্ববঙ্গৰ কৃত্ৰিমতাবৰ্জিত কথ্যভাষাৰ সাৰ্থক প্ৰয়োগ কৰিছে। এই প্ৰসঙ্গত দুয়োখন উপন্যাসৰপৰা দুটাকৈ উদাহৰণ তলত উদ্ধৃত কৰা হ'ল।

'ময়লা আঁচল' ঃ-

(১) "তেৰী জাত কো মচ্ছড় কাটে! হৰামজাদী! ৰণ্ডী!"

(২) "তুম লোগোঁ কা অপনা মাঁ-বহন কী কসম, গুরুদেৱতা কী কসম, কালী কিৰিয়া.... জো ভাগে ৱহ দোগলা!"

'পদ্মা নদীৰ মাঝি' ঃ-

(১) "কুকী। গায় কাপড় তুইলা বয় হাৰামজাদী।"

(২) "মাৰবা নাকি ? আগো মাৰ, মাৰ — না যদি মাৰ লখাৰ মাথা খাইবা।"

(ঙ) আঞ্চলিক উপন্যাসত এটি বিশেষ অঞ্চলখণ্ডৰ সামাজিক চিত্ৰৰ প্ৰতিফলন ঘটিব লাগে আৰু 'ময়লা আঁচল' তথা 'পদ্মা নদীৰ মাঝি' উপন্যাস দুখনতো গ্ৰাম্য-সমাজৰ ৰীতি-নীতি, অন্ধবিশ্বাস-কুসংস্কাৰ, গালি-গালাজ, শাও-শপনি, উৎসৱ-পাৰ্বণ, নৃত্য-গীত, লোক-কথা আদি যথাযথভাৱে উপস্থাপিত হৈছে। দুয়োখন উপন্যাসতে গ্ৰাম্য-সমাজৰ সাংস্কৃতিক ৰূপটোৰ সবল প্ৰতিফলন ঘটিছে।

(চ) পূৰ্বজন্ম-পৰজন্মৰ বিশ্বাস, পাপ-পূণ্যৰ বিচাৰ আদিৰ কথাও দুয়োখন উপন্যাসত সন্নিৱিষ্ট হৈছে। 'ময়লা আঁচল'ত লছমীয়ে মহন্ত ৰামদাসৰ প্ৰতি বিৰূপ মন্তব্য কৰি কৈছে— "য়হ আপকে পূৰ্বজন্ম কা পূণ্য হ্যায় কি আপকো মহন্তী কী গদ্দী মিলী হ্যায়, নহী তো আপকে জৈসে লোগোঁ কা ভৈঁস চৰানে কে সিৱা ঔৰ কোঈ কাম ভী নহী মিল সকতা।" ৰেণুৱে বাৱনদাসৰ (বামনদাস) পৰিচয় দি লিখিছে— "বাৱনদাস! পূৰ্বজন্ম কা ফল অথবা সিৰজনহাৰ কী মৰজী! প্ৰকৃতি কী ভুল অথবা থায়ৰয়েড, থায়মস ঔৰ প্যুটিটিৰী গ্ল্যাণ্ডস কে হেৰ-ফেৰ!" 'পদ্মা নদীৰ মাঝি'ত উলুপীয়ে মনৰ বেজাৰত কৈছে— "যে কপাল গোপিৰ! একটা বছৰ সবুৰ সহিল না মেয়েৰ, ঠ্যাং ভাঙিয়া খোঁড়া হইয়া ৰহিল। কত পাপ কৰিয়াছিল আৰ জন্মে কে জানে!"

(ছ) অসূয়া-অপ্ৰীতি, প্ৰতিশোধ পৰায়ণ মনোবৃত্তি দুয়োখন উপন্যাসতে স্বাভাৱিক ৰূপত অঙ্কিত হৈছে। 'ময়লা আঁচল'ত জোতখীয়ে নিজৰ পত্নীৰ মৃত্যু পাৰ্বতীৰ মাকৰ 'গুণমন্ত্ৰ'ৰ কাৰণে হোৱা বুলি ভাবি পাৰ্বতীৰ মাকক 'ডাইনী' বুলি মিছা বদনাম দি নিজৰ প্ৰতিশোধ প্ৰবৃত্তি চৰিতাৰ্থ

কৰাৰ কাৰণে হীৰুক প্ৰৰোচিত কৰি তাইক হত্যা কৰায়। ৰাজপুত টোলাৰ মানুহে বালদেৱক অপমান কৰাৰ ফলস্বৰূপে কালীচৰণৰ নেতৃত্বত যাদৱ টোলাৰ মানুহে ৰাজপুত টোলাৰ ওপৰত প্ৰতিশোধ ল'বলৈ উদ্যত হয়। 'পদ্মা নদীৰ মাঝি'ত গোপীক ৰাসুলৈ বিয়া নিদি বঙ্কুলৈ বিয়া দিয়া বাবে ৰাসুৱে প্ৰতিশোধ পৰায়ণ মনোবৃত্তি চৰিতাৰ্থ কৰিবলৈকে কুবেৰৰ গাত চুৰিৰ মিছা অপবাদ জাপি দিয়ে।

(জ) সংলাপৰ অসামান্য চৰিত্ৰানুগ প্ৰয়োগ দুয়োখন উপন্যাসৰে অন্যতম বৈশিষ্ট্য। বিষয়বস্তু অনুসৰি সংলাপ প্ৰয়োগৰ সক্ষমতা দুয়োখন উপন্যাসতে প্ৰকটিত হৈছে।

(ঝ) দুয়োখন উপন্যাসেই বৰ্ণনামূলক উপন্যাস। উপন্যাস দুখনৰ চৰিত্ৰসমূহৰ কাৰ্যকলাপ নিখুঁতভাৱে ফুটাই তুলিছে বৰ্ণনাৰ দক্ষতাৰে। চৰিত্ৰৰ ব্যক্তিবৈশিষ্ট্য, চৰিত্ৰৰ অবয়ৱ-লক্ষণ, বিশেষ বিশেষ মুহূৰ্তত চৰিত্ৰৰ আচৰণ আৰু অভিব্যক্ত এনেভাৱে বৰ্ণনা কৰিছে যে এইবোৰে পাঠক-চিত্তত ছাপ বহুৱাবলৈ সক্ষম হৈছে। ফণীশ্বৰনাথ ৰেণু আৰু মানিক বন্দ্যোপাধ্যায়ে চৰিত্ৰৰ বৰ্ণনা আৰু মূল্যায়নত বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰি সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছে। উপন্যাস দুখনত বিশ্লেষণাত্মক পদ্ধতিৰ আধিপত্য থাকিলেও চৰিত্ৰৰ স্বাভাৱিক বিকাশ আৰু স্বাতন্ত্ৰ্য বিঘ্নিত হোৱা নাই। 'ময়লা আঁচল' আৰু 'পদ্মা নদীৰ মাঝি' চেতনাপ্ৰৱাহমূলক উপন্যাসৰ (Stream of Consciousnes novel) প্ৰতিনিধিত্বস্বৰূপ আৰু এনেবোৰ উপন্যাসত চৰিত্ৰ তথা পৰিৱেশ চিত্ৰণৰ ক্ষেত্ৰত বিশ্লেষণী ৰীতিয়েই উপযুক্ত পদ্ধতি।

(ঞ) দুয়োখন উপন্যাসতে তদানীন্তন শোষণ-ব্যৱস্থাৰ প্ৰতীক পাত্ৰ সংযোজিত হৈছে। তহচিলদাৰ বিশ্বনাথ প্ৰসাদ মেৰীগঞ্জৰ তদানীন্তন শোষক শ্ৰেণীটোৰ প্ৰতিনিধি চৰিত্ৰ। তেওঁ এহেজাৰ বিঘা মাটিৰ মালিক। বিশ্বনাথ প্ৰসাদে নিজৰ দুষ্ট বুদ্ধি আৰু অবিশ্বাসী কাৰ্যৰে মেৰীগঞ্জৰ এহেজাৰ বিঘা মাটি অকলে অধিকাৰ কৰি দুখীয়া

কৃষকসকলৰ জীৱন বিপন্ন কৰি তুলিছে। তেনেদৰে 'পদ্মা নদীৰ মাঝি' উপন্যাসখনৰ হোসেন মিঞাই কেতুপুৰৰ মৎস্যজীৱী সমাজখনত শোষণকাৰীৰ ভূমিকাত অৱতীৰ্ণ হৈছে। সমাজৰ বিত্তশালী, প্ৰভাৱশালী, সুবিধাবাদী, চোৰাং ব্যৱসায়ী, শোষণকাৰী হোসেন মিঞাই কুবেৰ আমিনুদ্দি, ৰাসু আদিৰ দৰে দৰিদ্ৰ মানুহৰ অসহায়তাৰ সুযোগ লৈ অনিচ্ছা সত্ত্বেও তেওঁলোকক কামত লগাই উপনিৱেশ গঢ়াৰ পৰিকল্পনা কৰি লক্ষ্যত উপনীত হয়। ভূ-স্বামীৰ প্ৰসঙ্গ দুয়োখন উপন্যাসতে উপস্থাপিত হৈছে। 'পদ্মা নদীৰ মাঝি'ত আছে যে সমতল ভূমিভাগত ভূ-স্বামীৰ অধিকাৰ বিস্তৃত হৈ থকাৰ বাবে ভূ-স্বামীক ঠেলি ধীৱৰ-বস্তিৰ পৰিসৰ বঢ়াটো সম্ভৱ হয়। সেয়েহে বসবাসৰ অযোগ্য হ'লেও ভূ-স্বামীৰদ্বাৰা নিৰ্ধাৰিত কম খাজনাযুক্ত মাটিতে ইটোৰ গাত সিটো কুটীৰ গঢ়ি উঠে।

বৈসাদৃশ্যঃ

(ক) 'ময়লা আঁচল' উপন্যাসখনৰ কাহিনীটো 'পদ্মা নদীৰ মাঝি' উপন্যাসখনতকৈ অতি ব্যাপক। উপন্যাসখনৰ কাহিনীভাগৰ মূলতে আছে বিহাৰৰ পূৰ্ণিয়া জিলাৰ একেবাৰে পিছপৰা মেৰীগঞ্জ নামৰ গাঁওখন আৰু সময় প্ৰায় তিনি বছৰৰ, অৰ্থাৎ ১৯৪৫অৰ মধ্যভাগৰপৰা ১৯৪৮ চনৰ মধ্যভাগলৈ। এই সময়ছোৱাত কেবা দশকৰ পিছত ভাৰত স্বাধীন হ'ল, ভাৰতত প্ৰথমবাৰ প্ৰজাতন্ত্ৰ চৰকাৰ প্ৰতিষ্ঠা হ'ল, ভাৰত বিভাজন হোৱাৰ লগতে হিন্দু-মুচলিম বিভেদে দেখা দিলে আৰু গান্ধীজীক হত্যা কৰা হ'ল। এই সময়ছোৱাত বিহাৰৰ মেৰীগঞ্জৰ দৰে ভাৰতৰ আন বহুতো এনেকুৱা গাঁও আছিল য'ত আধুনিকতাৰ প্ৰথম কিৰণেও স্পৰ্শ কৰা নাছিল,— যিটো বৃটিছ সাম্ৰাজ্যবাদী-ঔপনিৱেশবাদী শোষণৰ এক জীৱন্ত প্ৰতীক। আৰ্থিক দৈন্যতা, নিৰক্ষৰতা, অজ্ঞানতা আদিৰ কাৰণে নিৰ্মম কটুতা, চৰিত্ৰহীনতা আদিকৰি সকলো দিশতে গাঁওবোৰে চৰম সীমা পাৰ কৰিছিল। ৰেণুৱে তদানীন্তন গ্ৰাম্য-সমাজৰ পটভূমিত, বিশেষকৈ মেৰীগঞ্জৰ পটভূমিত গ্ৰাম্যাঞ্চলৰ অনগ্ৰসৰতা, নিৰক্ষৰতা, দাৰিদ্ৰ্যতা, অজ্ঞানতা,

নৈতিকতাহীনতা, নীচতা, ৰাজনৈতিক ক্ষুদ্ৰতা, ভণ্ডামি, কুসংস্কাৰ-অন্ধবিশ্বাস আদিক আত্মীয়পূৰ্ণ জ্ঞান আৰু অনুভৱৰ ব্যাপক দৃষ্টিৰে নিৰীক্ষণ কৰি এইবোৰৰ সমন্বয়ত 'ময়লা আঁচল'ৰ কাহিনী নিৰ্মাণ কৰিছে। আনহাতে, 'পদ্মা নদীৰ মাঝি' উপন্যাসখনত কাহিনীৰ বিস্তৃত ৰূপ আৰু চৰিত্ৰৰ বৰ্ণময় বৈচিত্ৰ্য দেখিবলৈ পোৱা নাযায়। পদ্মা-তীৰস্থ ধীৱৰ-বস্তিৰ খুব সামান্য কাহিনী এটাই ইয়াত প্ৰধানকৈ স্থান পাইছে। ইয়াত আছে প্ৰমত্ত পদ্মা নদীৰ ভয়াৱহতাকো আওকাণ কৰি পদ্মাৰ বুকুত ইলিচ মাছ ধৰা মৎস্যজীৱী তথা শ্ৰমজীৱীসকলৰ দুৰ্দশাগ্ৰস্ত জীৱনৰ ছবি। মুঠতে দুৰ্ভিক্ষ-পীড়িত, নদী-নিৰ্ভৰ মৎস্যজীৱী মানুহৰ জটিল সমস্যাই 'পদ্মা নদীৰ মাঝি' উপন্যাসৰ মূল কাহিনী।

(খ) 'ময়লা আঁচল'ত এটা সু-সংগঠিত কাহিনী অনুপস্থিত। ভাৰতীয় স্বাধীনতা আন্দোলনৰ কালছোৱাৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, শৈক্ষিক ধাৰ্মিক বৌদ্ধিক আদি বিভিন্ন দিশৰ ব্যাপক বৰ্ণনাই উপন্যাসখনত ঠাই পোৱা হেতুকে সেই অনুযায়ী 'ময়লা আঁচল'ৰ কাহিনীটোৱেও বিক্ষিপ্ত ৰূপ লাভ কৰিছে। অৱশ্যে এইটো ঠিক যে আৰ্থিক, শৈক্ষিক, বৌদ্ধিক আদি নানা দিশত পিছপৰা কৃষক-মজদুৰৰ জটিল জীৱন-সমস্যাই হ'ল 'ময়লা আঁচল'ৰ মূল কাহিনী। কিন্তু 'পদ্মা নদীৰ মাঝি'ত এটা সু-সংগঠিত কাহিনী পোৱা যায় আৰু কাহিনীটো বিক্ষিপ্ত নহয়।

(গ) 'ময়লা আঁচল' উপন্যাসখন আকাৰত বৃহৎ আৰু উপন্যাসখনত চৰিত্ৰৰ সংখ্যাও হ'ল প্ৰায় তিনিশটা। আনহাতে, 'পদ্মা নদীৰ মাঝি' উপন্যাসখন 'ময়লা আঁচল'ৰ তুলনাত আকাৰত যথেষ্ট সৰু আৰু চৰিত্ৰৰ সংখ্যাও 'ময়লা আঁচল'ৰ তুলনাত বহুত তাকৰ।

(ঘ) 'ময়লা আঁচল'ৰ মুখ্য চৰিত্ৰ আৰু গৌণ চৰিত্ৰবোৰ চাৰিত্ৰিক বৈশিষ্ট্যসম্পন্ন আৰু উভয়বিধ চৰিত্ৰই পৃথক পৃথক ক্ষেত্ৰত বিশেষ ভূমিকা লৈ কাহিনীৰ বিকাশত অৰিহণা যোগাইছে। আনকি নাম-ভূমিকাত থকা বা ঐতিহাসিক ৰূপত থকা মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু আদি চৰিত্ৰৰ প্ৰসঙ্গত গঢ় লৈ উঠা কাহিনীভাগেও উপন্যাসখনত

বিশেষ ভূমিকা লোৱা দেখা যায়। কিন্তু 'পদ্মা নদীৰ মাঝি'ত মুখ্য চৰিত্ৰবোৰৰ ওপৰত অধিক জোৰ দিয়া হেতুকে গৌণ চৰিত্ৰবোৰ ভালদৰে বিকশিত হৈ উঠা নাই।

(ঙ) 'ময়লা আঁচল'ত মুখ্য আৰু গৌণ চৰিত্ৰবোৰ বিশ্লেষিত হৈছে। কিন্তু 'পদ্মা নদীৰ মাঝি'ত মুখ্য চৰিত্ৰবোৰ কম-বেছি পৰিমাণে বিশ্লেষিত হৈছে যদিও গৌণ চৰিত্ৰবোৰ বিশ্লেষিত হোৱা নাই।

(চ) 'ময়লা আঁচল'ত কোনো এটি বিশেষ চৰিত্ৰক কেন্দ্ৰ কৰি কাহিনী গঢ়ি উঠা নাই। কিন্তু 'পদ্মা নদীৰ মাঝি'ত কুবেৰৰ জীৱনেই ঔপন্যাসিকৰ মূল উপজীব্য। ঔপন্যাসিকে কুবেৰ-কেন্দ্ৰিক কথাবস্তুৰে পদ্মাৰ দাঁতিত বসবাস কৰা মৎস্যজীৱী মানুহৰ সংঘাতময় জীৱনৰ এক সকৰুণ বাস্তৱ চিত্ৰ অংকন কৰিছে। অৰ্থাৎ 'পদ্মা নদীৰ মাঝি' উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ কুবেৰক অৱলম্বন কৰিয়েই মূল কাহিনীভাগ গঢ়ি উঠিছে। কুবেৰ-কেন্দ্ৰিক কাহিনীভাগৰ লগত কেতবোৰ উপকাহিনী সংযুক্ত হৈছে, কিন্তু সেইবোৰ সীমাবদ্ধ।

(ছ) আঞ্চলিক উপন্যাসত ব্যক্তি-কেন্দ্ৰিকতাৰ পৰিৱৰ্তে গোষ্ঠী-কেন্দ্ৰিকতাৰ প্ৰাধান্য থাকে। ফণীশ্বৰনাথ ৰেণুৰ 'ময়লা আঁচল' উপন্যাসখনো গোষ্ঠী কেন্দ্ৰিক উপন্যাস। ইয়াত মেৰীগঞ্জৰ কৃষক-মজদুৰ আদিকৰি পিছপৰা শ্ৰেণীৰ সামগ্ৰিক জীৱনৰ ৰূপ অংকিত হৈছে। কিন্তু 'পদ্মা নদীৰ মাঝি' মূলতঃ ব্যক্তি-কেন্দ্ৰিক উপন্যাস। পদ্মা-তীৰস্থ ধীৱৰসকলৰ গোষ্ঠী-জীৱনৰ সুখ-দুঃখ, হাঁহি-কান্দোন, স্বাৰ্থপৰতা অথবা জীৱন-সংগ্ৰামৰ চিত্ৰ উপন্যাসখনত অংকিত হ'লেও কুবেৰৰ পৰিয়ালৰ কাহিনীয়েহে ইয়াত প্ৰধান হৈ উঠিছে। কুবেৰ আৰু কপিলাৰ হৃদয়-ৰহস্য অথবা কুবেৰৰ জীয়েক গোপীৰ ভঙা ভৰিৰ চিকিৎসাৰ কাৰণে হাস্পতাললৈ লৈ যোৱাৰ প্ৰসঙ্গ ইত্যাদি পাৰিবাৰিক বিষয় যিমান গুৰুত্বসহকাৰে উপন্যাসখনত স্থান পাইছে তাৰ তুলনাত ধীৱৰ-সম্প্ৰদায়ৰ গোষ্ঠী-জীৱনৰ সামগ্ৰিক ৰূপটো সিমান গুৰুত্ব পোৱা নাই।

(জ) আঞ্চলিক উপন্যাসৰ কাহিনী এটি অনতিব্যাপ্ত ভূ-খণ্ডৰ মাজত

সীমাবদ্ধ থাকিব লাগে আৰু চৰিত্ৰবোৰো উক্ত অঞ্চলৰ আঞ্চলিক বৈশিষ্ট্যৰদ্বাৰা চিহ্নিত হ'ব লাগে। 'ময়লা আঁচল'ৰ কাহিনীভাগত মেৰীগঞ্জকেই সম্পূৰ্ণৰূপে নাভিকেন্দ্ৰ কৰি লৈ মেৰীগঞ্জক সামাজিক, আৰ্থিক, শৈক্ষিক আৰু ৰাজনৈতিকভাৱে সংবেদনশীল কৰি তুলিছে। 'ময়লা আঁচল'ত প্ৰায় তিনিশ চৰিত্ৰ আছে আৰু ইয়াৰ ভিতৰত এশ চল্লিশজন মেৰীগঞ্জ-নিবাসী আৰু বাকীবোৰ বাহিৰৰ হ'লেও কাৰ্যক্ষেত্ৰত মেৰীগঞ্জৰে অথবা মেৰীগঞ্জৰ প্ৰতি আস্থা থকা। আনহাতে, 'পদ্মা নদীৰ মাঝি' উপন্যাসখনত পদ্মা-তীৰস্থ কেতুপুৰ গাঁওখনেই পটভূমি হিচাপে ব্যৱহৃত হৈছে যদিও হোসেন মিঞাৰ ময়নাদ্বীপৰ প্ৰসঙ্গই পদ্মা-তীৰস্থ ধীৱৰসকলৰ জীৱনবোধত পটভূমিগত প্ৰসাৰতাই দেখা দিছে আৰু তাতেই আঞ্চলিক উপন্যাসৰ সীমা-সংহতি লঙ্ঘিত হৈছে। উপন্যাসখনৰ শেষত কুবেৰ কপিলাৰ ময়নাদ্বীপলৈ যাত্ৰাৰ ইঙ্গিত থকা হেতুকে আঞ্চলিক উপন্যাসৰ নিৰ্দিষ্ট পটভূমিকাৰ পৰিৱেষ্টনীত ফাট মেলিছে।

(ঝ) 'ময়লা আঁচল'ত শোষিত শ্ৰেণীৰ জাগৰণৰ চিত্ৰ দেখিবলৈ পোৱা যায়; কিন্তু 'পদ্মা নদীৰ মাঝি'ত শোষিত শ্ৰেণীৰ জাগৰণৰ চিত্ৰ অনুপস্থিত।

(ঞ) 'ময়লা আঁচল' আৰু 'পদ্মা নদীৰ মাঝি' দুয়োখন উপন্যাসতে 'যৌন-সম্বন্ধ' গ্ৰাম্য-জীৱনৰ এটা ফাল। কিন্তু 'ময়লা আঁচল'ত যৌন-সম্বন্ধ বা চৰিত্ৰহীনতাৰ ছবি বিস্তৃতভাৱে অঙ্কিত হৈছে। 'পদ্মা নদীৰ মাঝি'ত থকা মালা নিজেই হেনো তাইৰ মাকৰ অবৈধ ব্ৰাহ্মণ-সংসৰ্গৰ ফল, কুবেৰ আৰু কপিলাৰ মাজতো যৌন-সম্পৰ্কৰ ইঙ্গিত পোৱা যায়। কিন্তু 'ময়লা আঁচল'ৰ চিচায়ৰ মাক, ৰমজুৰ মাক, ফুলিয়া, ফুলিয়াৰ মাক, ৰামপ্যাৰী আদি নাৰী চৰিত্ৰবোৰে সমাজৰ পিছপৰা বা হৰিজন শ্ৰেণীটোত ব্যাপ্ত চৰিত্ৰহীনতাৰ উদাহৰণ দাঙি ধৰে। চিচায়ৰ মাকৰ বৃত্তি হৈছে অবৈধভাৱে গৰ্ভপাত কৰোৱা। ৰমজুৰ মাকৰ যৌৱনকালত ৰামকিৰপাল সিংহৰ লগত যৌন-সম্পৰ্ক আছিল আৰু বৃদ্ধা কালতো যৌৱনা ছোৱালীবোৰক অবৈধ সম্বন্ধ কৰোৱা কামত

নিয়োজিত। ফুলিয়াৰ মাকৰ বহুতৰ লগতে অবৈধ সম্বন্ধ আছে। ফুলিয়া মুক্ত যৌন সম্বন্ধত বিশ্বাসী। ফুলিয়াৰ ভনীয়েক ৰামপ্যাৰীয়েও মাক আৰু ফুলিয়াৰ বাস্তাকে বাছি ল'লে। ৰামপ্যাৰীয়ে মহন্ত ৰামদাসক তাইৰ জালত পেলাই বশ কৰি লয়। এনেদৰে 'ময়লা আঁচল'ত নীচতা, চৰিত্ৰহীনতা বা যৌন-সম্পৰ্কৰ ক্ষেত্ৰত প্ৰচুৰ উদাহৰণ পোৱা যায়। (ট) 'ময়লা আঁচল'ত জাত-কুল-বংশক লৈ সৃষ্টি হোৱা ভেদভাবৰ ছবিখন অতি স্পষ্ট। মেৰীগঞ্জ বিভিন্ন জাতি আৰু সম্প্ৰদায়ৰ বসতি-স্থল। মেৰীগঞ্জৰ তিনিটা প্ৰধান শক্তিসালী জাতি হ'ল কায়স্থ, ৰাজপুত আৰু যাদৱ। তিনিওটা জাতিয়েই জাত্যাভিমানী আৰু প্ৰতিটো জাতিয়েই উচ্চ-নীচৰ মানসিকতাৰে নিজৰ শ্ৰেষ্ঠতাৰ পৰিচয় দিবলৈ গৈ কাজিয়া-পেচালত লিপ্ত হয়। মেৰীগঞ্জৰ আটাইবোৰ জাতি একেলগে একেশাৰীতে বহি খোৱা-লোৱা কৰাটোও নীতি-বহিৰ্ভূত কাম। কিন্তু 'পদ্মা নদীৰ মাঝি'ত জাত-পাতৰ চিন্তা নাই বুলিবই পাৰি। কুবেৰৰ দৃষ্টিত সকলো মানুহেই সমান। তেওঁৰ মতে সৰু সৰু গাঁৱৰ সৰু সৰু মানুহৰ ধৰ্ম এটাই। সেয়েহে কুবেৰে মুছলমানৰ ৰন্ধা খালে একো ক্ষতি নহয় বুলি ভবে— "কী ক্ষতি, মুছলমানেৰ ৰান্না খাইলে? ডাঙৰ গ্ৰামে, যাহাৰা মাটি ছানিয়া জীবিকা অৰ্জন কৰে তাহাদেৰ মধ্যে ধৰ্মেৰ পাৰ্থক্য থাকে,পদ্মা নদীৰ মাঝিৰা সকলে একধৰ্মী।"

এনেদৰে বিশ্লেষণ কৰি চালে দুয়োখন উপন্যাসৰ মাজত সাদৃশ্য- বৈসাদৃশ্যৰ পয়োভৰ ঘটিছে যদিও দুয়োখন উপন্যাসতে গ্ৰাম্য-জীৱনৰ প্ৰতিচ্ছবি অংকনেৰে সমাজ-জীৱনৰ বাস্তৱ দিশটোৰ ওপৰত গুৰুত্ব দিয়া দেখা যায়। দুয়োখন উপন্যাসতে শোষক-শোষিতৰ চিত্ৰ, গ্ৰাম্যাঞ্চলৰ অনগ্ৰসৰতা, দাৰিদ্ৰ্যতা, অজ্ঞানতা, নীচতা, নৈতিকতাহীনতা, অন্ধবিশ্বাস আদিৰ চিত্ৰ সুন্দৰ ৰূপত প্ৰতিফলিত হোৱাৰ লগতে বিভিন্ন উৎসৱ-পাৰ্বণৰ উপৰি লোক-সঙ্গীত, লোক-কথা, গালি-গালাজ, শাও-শপনি আদি গ্ৰাম্য-সমাজৰ তেনেই চিনাকি চিত্ৰই উপন্যাস দুখন জীপাল কৰি তুলিছে। ❐